# অসমীয়া চলচ্চিত্ৰৰ গতিধাৰা - উৎপল দত্ত

---

## অতি চমু প্ৰশ্ন - ১ নম্বৰৰ

প্ৰশ্ন ১. জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘জয়মতি’ কথাছবিৰ কাহিনীৰ উৎস কি ?

উত্তৰঃ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘জয়মতি’ কথাছবিৰ কাহিনীৰ উৎস হ’ল- সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ‘জয়মতী কুঁৱৰী’ নাটকখন ।

প্ৰশ্ন ২. জ্যোতিপ্ৰসাদ আগৰৱালাই কোনখন দেশত চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰশিক্ষণ লৈছিল ?

উত্তৰঃ জ্যোতিপ্ৰসাদ আগৰৱালাই জাৰ্মানীত চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰশিক্ষণ লৈছিল ।

প্ৰশ্ন ৩.‘চিত্ৰবন’ ষ্টুডিঅ’ কোনে  নিৰ্মাণ কৰিছিল?

উত্তৰঃ ‘চিত্ৰবন’ ষ্টুডিঅ’ জ্যোতিপ্ৰসাদ আগৰৱালাই তেজপুৰৰ ওচৰতে থকা ভোলাগুৰি চাহ বাগিচ্ছাত নিৰ্মাণ কৰিছিল ।

প্ৰশ্ন ৪.লক্ষ্যধৰ চৌধুৰীয়ে পৰিচালনা কৰা ছবিখনৰ নাম লিখা ।

উত্তৰঃ লক্ষ্যধৰ চৌধুৰীয়ে পৰিচালনা কৰা ছবিখনৰ নাম হ’ল- নিমিলা অংক ।

প্ৰশ্ন ৫.লতা মংগেশকাৰে গীতত কন্ঠদান কৰা অসমীয়া কথাছবি এখনৰ নাম লিখা ।

উত্তৰঃ লতা মংগেশকাৰে গীতত কন্ঠদান কৰা অসমীয়া কথাছবি এখনৰ নাম হ’ল- এৰা বাটৰ সুৰ ।

## চমু প্ৰশ্ন - ২ নম্বৰৰ

প্ৰশ্ন ১. জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা ছবি দুখনৰ নাম লিখা ।

উত্তৰঃ ‘ জয়মতী ’ ( ১৯৩৫ ) , আৰু ‘ ইন্দ্ৰমালতী ’ ( ১৯৩৯ ) ।

প্ৰশ্ন ২. এই কথাছবি কেইখনৰ পৰিচালকৰ নাম লিখা — এৰাবাটৰ সুৰ , ডাঃ বেজবৰুৱা , গঙাচিলনীৰ পাখি ।

উত্তৰঃ ওপৰিচালক সকল হ’ল — এৰাবাটৰ সুৰ — ড ° ভূপেন হাজৰিকা ; ডাঃ বেজবৰুৱা ব্ৰজেন বৰুৱা ; গঙাচিলনীৰ পাখি — পদুম বৰুৱা ।

প্ৰশ্ন ৩.ভবেন্দ নাথ শইকীয়া পৰিচালিত তিনিখন কথাছবিৰ নাম লিখা ।

উত্তৰঃ  ভবেন্দ নাথ শইকীয়া পৰিচালিত তিনিখন কথাছবিৰ নাম হ’ল- সাৰথি, কোলাহল আৰু আবৰ্তন ।

প্ৰশ্ন ৪. জয়মতী, চিৰাজ আৰু সতী বেউলা- এই কথাছবি কেইখনৰ সংগীত পৰিচালক কেইগৰাকীৰ লিখা ।

উত্তৰঃ জয়মতী কথাছবি খনৰ সংগীত পৰিচালকজনৰ নাম হ’ল- জ্যোতিপ্ৰসাদ আগৰৱালা

চিৰাজ কথাছবি খনৰ সংগীত পৰিচালকজনৰ নাম হ'ল- কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

সতী বেউলা কথাছবি খনৰ সংগীত পৰিচালকজনৰ নাম হ'ল- ভূপেন হাজৰিকা ।

প্ৰশ্ন ৫.অসম চৰকাৰে অসমীয়া চিনেমা - শিল্পৰ বিকাশত কি ভূমিকা পালন কৰিছে ?

উত্তৰঃ অসম চৰকাৰে অসমীয়া চিনেমা শিল্পৰ বিকাশৰ কাৰণে প্ৰযোজকক আৰ্থিক সাহায্য প্ৰদান কৰিছে । জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত চৰকাৰে " জ্যোতি চিত্ৰবন ছোছাইটি " নামেৰে ষ্টুডিঅ ' কমপ্লেক্স নিৰ্মাণ কৰি অসমৰ চিত্ৰ নিৰ্মাতাসকলক ছবি নিৰ্মাণৰ প্ৰযোজনাত বাহিৰলৈ যোৱা কামটোৰ পৰা সকাহ দিছে । ইয়াৰ চৌহদতে চলচ্চিত্ৰ নিৰ্মাণ প্ৰশিক্ষণ বিদ্যালয় " ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী ফিল্ম আৰু টি ভি ইনষ্টিটিউট স্থাপন কৰিছে । ছবি প্ৰযোজনাত সহায় কৰিবলৈ গঠন কৰা হৈছে " অসম ৰাজ্যিক চলচিত্ৰ বিত্ত আৰু উন্নয়ন নিগম " । চৰকাৰে স্থাপন কৰিছে চলচ্চিত্ৰ সংগ্ৰহালয় আৰু আৰ্কাইভ ।

## দীঘলীয়া প্ৰশ্ন -৪ নম্বৰৰ

প্ৰশ্ন ১.অসমীয়া চলচ্চিত্ৰ শিল্পলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান সম্পৰ্কে আলোচনা কৰা ।

উত্তৰঃ জ্যোতিপ্ৰসাদ আগৰৱালাই জাৰ্মানীত চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰশিক্ষণ লৈছিল । তাৰ পাছত তেখেতে লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী' নাটকৰ আলম লৈ ১৯৩৫ চনৰ ১০ মাৰ্চ তাৰিখত 'জয়মতী' নামৰ কথাছবিখনেৰে অসমীয়া চিনেমা জগতৰ আৰম্ভণি কৰিছিল । প্ৰথম অসমীয়া চিনেমা হোৱা পৰিপেক্ষিতত সকলো অসমীয়াৰ মন মুগ্ধ কৰিছিল যদিও জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে বহুতো অভাৱ, ব্যয় আৰু টকা লোকচানৰ সন্মুখীন হব লগা হৈছিল ।

অসমীয়া চিনেমা জগতৰ বাবে তেওঁ দ্বিতীয়খন চিনেমা 'ইন্দ্ৰমালতী' ১৯৩৯ চনত নিৰ্মাণ কৰি উলিয়াইছিল। অতীত গৌৰব্ৰ কাহিনীৰে 'জয়মতি' আৰু স্বাধীনতা আন্দোলনৰ আদৰ্শৰে 'ইন্দ্ৰমালতি' নিৰ্মাণ কৰি তেওঁ অসমীয়া চিনেমা জগতৰ বাবে দেশপ্ৰেমৰ আদৰ্শ জাগ্ৰত কৰিছিল। ছবি নিৰ্মাণ কৰি অধিক লাভজনক হোৱা নাছিল যদিও জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে চলচ্চিত্ৰ কলাটি ভালপোৱা আৰু ছবিৰ মাধ্যমেৰে জনগণৰ বাবে কিছু আদৰ্শ আৰু প্ৰেৰণা প্ৰদান কৰিবৰ বাবে চেষ্টা কৰিছিল। অসমীয়া ছবি নিৰ্মাণ কৰাৰ বাবে অতি সুবিধা নাছিল যদিও তেখেতে প্ৰথমে 'চিত্ৰবন' ষ্টুডিঅ' আৰু পাছত কলকতাৰ 'অৰোৰা ষ্টুডিঅ'ত ছবিৰ দ্ৰাবিং আৰু আন আন সম্পাদন কৰিছিল।

প্ৰশ্ন ২.অসমীয়া চলচ্চিত্ৰ শিল্পলৈ ভূপেন হাজৰিকাৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

উত্তৰঃ অসমীয়া চলচ্চিত্ৰ শিল্পলৈ ভূপেন হাজৰিকা দেৱৰ অৱদান অতুলনীয় আছিল। তেখেতে ১৯৫৬ চনত 'এৰা বাটৰ সুৰ' ছবিখনৰ মাধ্যমেৰে অসমৰ মাটিৰ সুৰৰ ওপৰত আৰু স্বদেশ প্ৰেমৰ ভাব চিনেমাৰ জৰীয়তে ফুটাই তুলিছিল। 'এৰা বাটৰ সুৰ' ছবিখনৰ বিখ্যাত সংগীতজ্ঞ প্ৰতিভা লতা মংগেছকাৰ, হেমন্ত মুখাৰ্জী আদিৰ কন্ঠৰ গীত সংলগ্ন কৰি অসমীয়া চলচ্চিত্ৰ জগতখনক এদোপ আগুৱাই নিবলৈ সক্ষম হৈছিল।

অসমীয়া ছবিক দুপত দুপে আগবঢ়াই নিয়াৰ নিমিত্তে তেখেতে ১৯৬৫ চনত খাচি লোককথাৰ ভেটিত 'প্ৰতিধ্বনি' নিৰ্মাণ কৰিছিল। পাছত এই ছবিখন খাচি ভাষালৈ 'ডাব' কৰি তেওঁলোকৰ সংস্কৃতিকো উতগনি জোগাছিল।

অসমীয়া চিনেমাৰ উৎকন্ঠা বঢ়াবৰ বাবে তেওঁ হিন্দী ছবি 'তকদীৰ'(ভাগ্য) চিনেমাখনক অসমীয়ালৈ 'ডাব' কৰিছিল। ভূপেন হাজৰিকাদেৱে ৰাজশ্ৰী প্ৰডাকচনৰ সৈতে যৌথ প্ৰযোজনাৰে 'চিকমিক

বিজুলি’ নিৰ্মাণ কৰি অসমীয়া চিনেমাৰ মুধৰতাৰ প্ৰদান কৰিছিল। এইখনেই আছিল প্ৰতিষ্ঠিত চলচ্চিত্ৰ প্ৰযোজনা সংস্থা এটাই প্ৰযোজনা কৰে প্ৰথমখন অসমীয়া ছবি। ইয়াৰ পৰৱৰ্তী পৰ্যায়ৰ পৰা অসমীয়া ছবিত ব্যৱসায়ী সংস্থাৰ অংশগ্ৰহণ আৰম্ভ হৈছিল।

প্ৰশ্ন ৩. ভৱেন্দ্ৰ নাথ শইকীয়া আৰু জাহ্নু বৰুৱাই অসমীয়া চলচ্চিত্ৰ শিল্পলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে আলোচনা কৰা।

উত্তৰঃ অসমীয়া চলচ্চিত্ৰ শিল্পলৈ ভৱেন্দ নাথ শইকীয়া আৰু জাহ্নু বৰুৱাৰ অভূতপূৰ্ব অবদান আছে। ভবেন্দ নাথ শইকীয়াদেৱৰ ১৯৭৭ চনত নিৰ্মাণ হোৱা ‘সন্ধ্যাৰাগ’ ছবিখনে ব্যৱসায়িক আৰু কলাগত সফলতাই অসমীয়া চিনেমাগজগতক একদুপ আগুৱাই নিবলৈ সক্ষম হৈছিল। তেখেতৰ এই ছবিখনৰ মাধ্যমেৰে অসমীয়া চিনেমাৰ বাস্তৱবাদী ধাৰাটোৰ সঞ্চাৰ ঘটিছিল। অসমীয়া চিনেমা জগতৰ বাবে আগবঢ়োৱা তেখেতৰ আন আন ছবিসমূহ আছিল- ‘অনিৰ্বাণ’, ‘অগ্নিস্নান’, ‘কোলাহল’, ‘সাৰথি’, ‘আবৰ্তন’, ‘ইতিহাস’ আদি। তেখেতে হিন্দী ভাষাত ‘কালসন্ধ্যা’ ছবিখন পৰিচালনা কৰি অসমীয়াৰ মান একদুপ বৃদ্ধি কৰিছিল।

জাহ্নু বৰুৱাই সমসাময়িকভাৱে অসমীয়া চলচ্চিত্ৰলৈ অৰিহণা জোগাইছিল। তেখেতৰ ‘অপৰূপা’ ছবিখনে অসমীয়া চিনেমাৰ মধুৰতাৰ ভাৱ প্ৰদান কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ ছবিসমূহে দেশৰ ভিতৰে আৰু বাহিৰে সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতে বাস্তৱধৰ্মী ছবিৰ মাধ্যমেৰে অসমীয়া ছবিজগতক এক আদৰ্শ আৰু অনুপ্ৰেৰণা প্ৰদান কৰিছিল।

প্ৰশ্ন ৪.অসমীয়া বিনোদধৰ্মী চলচ্চিত্ৰৰ বিষয়ে এটি টোকা লিখা।

উত্তৰঃ অসমীয়া বিনোদধৰ্মীৰ চিনেমাৰ অতিকৈ প্ৰফুল্লিত হৈছিল ১৯৬৯ চনত ব্ৰজেন বৰুৱাৰ দ্বাৰা পৰিচালিত ‘ডাঃ বেজবৰুৱা’ চিনেমাখনৰ মাধ্যমেৰে। এই ছবিসমূহে দৰ্শকক উপভোগ্য ছবিৰ উপহাৰ প্ৰদান

কৰিছিল। এই ছবিসমূহৰ কাহিনী আছিল-আৱেগপূৰ্ণ আৰু নাতকীয় উপাদানেৰে ভৰপূৰ। ‘মুকুতা’, ‘যোগ বিয়োগ’, ‘উপগ্ৰহ’, ‘ভাইটি’, ‘চামেলি মেমচাব’, আজলী নবৌ আদি বিনোদধৰ্মীমূলক অসমীয়া ছবি।

এই ছবিসমূহ চলচ্চিত্ৰ ভাষাৰ দিশৰ পৰা অতি উচ্চ খাপৰ নাছিল। তথাপি, এই ছবিসমূহে দৰ্শকৰ ৰুচিবোধৰ প্ৰতি সন্মান জনাই এক নিটোল গ্ৰহণযোগ্য কাহিনীৰে মনোযোগ আকৰ্ষণ কৰিছিল। বিনোদধৰ্মী ছবিসমূহৰ কেইজনমান খ্যাত পৰিচালক আছিল- নিপ বৰুৱা, দ্বিবন বৰুৱা, আব্দুল মজিদ, শিৱ ঠাকুৰ আদি।

প্ৰশ্ন ৫.অসমীয়া কথাছবিয়ে লাভ কৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি সম্পৰ্কে আলোচনা কৰা।

উত্তৰঃ অসমীয়া কথাছবিয়ে প্ৰথমটো পুৰস্কাৰ ১৯৫৫ চনত ফণী শৰ্মাৰ দ্বাৰা পৰিচালিত ‘পিয়লি ফুকন’ ছবিখনৰ বাবে ‘ৰাষ্ট্ৰপতিৰ চাৰ্টিফিকেট অব মেৰিট’ লাভ কৰিবলৈ সক্ষম হৈছিল। ড০ ভূপেন হাজৰিকা দেৱে ‘চামেলি মেমচাব’ ছবিখনৰ সংগীত পৰিচালনাৰ বাবে প্ৰথমটো ৰাষ্ট্ৰীয় পৰ্যায়ত পুৰস্কাৰ অৰ্জন কৰিছিল। তাৰ পৰৱৰ্তী পৰ্যায়ত, ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ ‘অগ্নিস্নান’ ছবিখনৰ বাবে শ্ৰেষ্ঠ চিত্ৰনাট্যৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। জাহ্নু বৰুৱাৰ ‘সাগৰলৈ বহু দূৰ’ ছবিখনৰ বাবে ‘শ্ৰেষ্ঠ পৰিচালকৰ বঁটা’ লাভ কৰিছিল।

ৰাষ্ট্ৰীৰ বটা প্ৰাপ্ত আন কেইখনমান থায়ত অসমীয়া ছবি হ’ল- ‘ৰাগ বিৰাগ’(বিদ্যুত চক্ৰৱৰ্তী), ‘হলধৰ’ (সঞ্জীৱ হাজৰিকা), ‘ৰশ্ব’বিপু’(গৌতম বৰা), ‘হালধীয়া চৰায়ে বাওধান খায়’(জাহ্নু বৰুৱা), ‘বনানী’ (জাহ্নু বৰুৱা), ‘বৈভব’ (মঞ্জু বৰা), ‘তৰা’(জাহ্নু বৰুৱা), ‘জুয়ে পোৰা সোণ’ (সঞ্জীৱ সভাপণ্ডিত), ‘আই ক’ত নাই’(মঞ্জু বৰা) আদি।

আন আন শিতানত বঁটা লাভ কৰা ব্যক্তিকেইগৰাকীমান হ’ল- শ্বেৰ চৌধুৰী(সংগীত পৰিচালনাৰ বাবে), মলয়া গোস্বামী(অভিনয়), এ শ্ৰীকৰ প্ৰসাদ(সম্পাদনা), মৃণালকান্তি দাস(চিত্ৰগ্ৰহণ)আদি। অভিনয়ৰ বাবে

‘জুৰিৰ বিশেষ উল্লেখ’ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল- ৰুদ্ৰ বৰুৱা, ভাগীৰথী আৰু বিষ্ণু থাৰঘৰীয়া ।